# বিদ্যালয়ৰ বাৰ্ষিক অনুদানৰ যথোপযুক্ত ব্যৱহাৰৰ নিৰ্দেশাৱলী

## চৰকাৰী আৰু প্ৰাদেশিকৃত প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবে

## ২০২৩-২৪ বৰ্ষ


**সমগ্ৰ শিক্ষা, অসম**

কাহিলিপাৰা, গুৱাহাটী-১৯

# বিদ্যালয়লৈ আগবঢ়োৱা বাৰ্ষিক অনুদানৰ ব্যৱহাৰ সম্পৰ্কে

সমগ্ৰ শিক্ষা, অসমৰ জৰিয়তে ৰাজ্যখনৰ প্ৰতিখন চৰকাৰী আৰু প্ৰদেশীকৃত (প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক) বিদ্যালয়লৈ সংযুক্ত বাৰ্ষিক বিত্তীয় অনুদান বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যাৰ ভিত্তিত আগবঢ়োৱা হয় । ২০২৩-২৪ বৰ্ষৰ বাবে এই বাৰ্ষিক বিদ্যালয় অনুদান নিম্ন উল্লিখিত ধৰণে বিদ্যালয়সমূহলৈ আগবঢ়োৱা হ'ব ।

⇨ এগৰাকীৰ পৰা ৩০ গৰাকী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়লৈ ১০ হাজাৰ টকা

⇨ ৩১ গৰাকীৰ পৰা ১০০ গৰাকী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়লৈ ২৫ হাজাৰ টকা

⇨ ১০১ গৰাকীৰ পৰা ২৫০ গৰাকী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়লৈ ৫০ হাজাৰ টকা

⇨ ২৫১ গৰাকীৰ পৰা ১০০০ গৰাকী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়লৈ ৭৫ হাজাৰ টকা

⇨ ১০০০ গৰাকীতকৈ অধিক গৰাকী ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়লৈ ১ লাখ টকা

এই বাৰ্ষিক বিদ্যালয় অনুদান ব্যৱহাৰৰ ক্ষেত্ৰত বিদ্যালয় পৰিচালনা সমিতিয়ে তলত উল্লেখ কৰা নিৰ্দেশাৱলী মানি চলাটো অতি আৱশ্যকীয়।

১। বিদ্যালয়ে লাভ কৰা বাৰ্ষিক বিদ্যালয় অনুদান ব্যৱহাৰ পূৰ্বে বিদ্যালয় পৰিচালনা সমিতিৰ সভা অনুষ্ঠিত কৰি বিভাগীয় নিৰ্দেশনাৰ আধাৰত প্ৰয়োজনীয় কামখিনি অগ্ৰাধিকাৰৰ ভিত্তিত তালিকাভুক্ত কৰি ল'ব লাগিব। এই ক্ষেত্ৰত সকলো সদস্য-সদস্যাৰ উপস্থিতিত প্ৰস্তাৱসমূহ কাৰ্যবিৱৰণী লিপিবদ্ধ কৰি উপস্থিত সকলোৰে স্বাক্ষৰ গ্ৰহণ কৰিব। সভা চলি থকা সময়ত এখন নিৰ্দিষ্ট বহীত কাৰ্যবিৱৰণী প্ৰস্তুত কৰিব আৰু সেইখন সভাতে পাঠ কৰি গৃহীত কৰিব লাগিব। পৰৱৰ্তী সময়ত সেই কাৰ্যবিৱৰণীখিনিকে বৈধ নথি হিচাপে গণ্য কৰা হ'ব আৰু সেই কাৰণে ইয়াক সংৰক্ষণ কৰি ৰাখিব লাগিব।
বিদ্যালয় পৰিচালনা সমিতিয়ে ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক বিদ্যালয় অনুদানৰ যথোপযুক্ত ব্যৱহাৰৰ বাবে অগ্ৰাধিকাৰ ভিত্তিত বিদ্যালয়খনত কৰিবলগীয়া প্ৰয়োজনীয় কামৰ তালিকা প্ৰস্তুত কৰি বিদ্যালয় পৰিচালনা সমিতিয়ে প্ৰস্তাৱ গ্ৰহণ কৰিব।

## ২০২৩-২৪ বৰ্ষৰ বিদ্যালয়ৰ বাৰ্ষিক অনুদান ব্যৱহাৰৰ ক্ষেত্ৰত বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰস্তাৱৰ আৰ্হি —

১। বিদ্যালয়ৰ নাম ঃ

২। বিদ্যালয় পৰিচালনা সমিতিৰ বেংক একাউন্টৰ নাম আৰু নম্বৰ ঃ

৩। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ নাম ঃ

৪। বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সচিবৰ নাম ঃ

৫। মণ্ডল সমল কেন্দ্ৰৰ নাম ঃ

৬। শিক্ষা খণ্ডৰ নাম ঃ

৭। জিলাৰ নাম ঃ

আমি ........................................................... বিদ্যালয়ৰ বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সদস্যাই সমগ্ৰ শিক্ষা অভিযান মিছনৰ তৰফৰ পৰা ২০২৩-২০২৪ বৰ্ষৰ বাবে আগবঢ়োৱা বাৰ্ষিক বিদ্যালয় অনুদান ......... টকাৰে তলত উল্লেখ কৰা কামসমূহ কৰিম বুলি প্ৰস্তাৱ গ্ৰহণ কৰিলোঁ।

| অগ্ৰাধিকাৰ | কামৰ বিৱৰণ | আনুমানিক ব্যয় |
|---|---|---|
| অগ্ৰাধিকাৰ-১ | | |
| অগ্ৰাধিকাৰ-২ | | |
| অগ্ৰাধিকাৰ-৩ | | |
| অগ্ৰাধিকাৰ-৪ | | |
| অগ্ৰাধিকাৰ-৫ | | |
| অগ্ৰাধিকাৰ-৬ | | |
| অগ্ৰাধিকাৰ-৭ | | |

ওপৰোক্ত কামসমূহৰ সঠিক আৰু সফল ৰূপায়নৰ বাবে আমি তলত দিয়া অনুদান বা শ্ৰমদান হিচাপে ৰাইজৰ অৱদান আগবঢ়াম।

অৱদান-১ ঃ

অৱদান-২ ঃ

অৱদান-৩ ঃ

অৱদান-৪ ঃ

অৱদান-৫ ঃ

বিদ্যালয় পৰিচালনা সমিতিৰ সভাত প্ৰস্তাৱ আৰু সিদ্ধান্ত গ্ৰহণ কৰি সমগ্ৰ শিক্ষা, অসমৰ এই অনুদানসমূহৰ উপৰিও ৰাইজৰ অৱদানৰ সঠিক ব্যৱহাৰেৰে উল্লিখিত কামসমূহ ৰূপায়ন কৰি নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত প্ৰতিটো কামৰ খৰচ / হিচাপ-পত্ৰ যথাবিহীতভাৱে তথ্যভুক্ত কৰি নিৰ্দিষ্ট প্ৰপত্ৰ যোগে পৰিচালনা সমিতিৰ দ্বাৰা গৃহীত কৰাই কাম শেষ হোৱাৰ / পুঁজি ব্যয় কৰা ১০ দিনৰ ভিতৰত সংশ্লিষ্ট খণ্ড মিছন সমন্বয়কৰ কাৰ্যালয়ত জমা দিম বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰিলোঁ।

পৰিচালনা সমিতিৰ সভাপতিৰ

নাম আৰু চহী

তাং ঃ

পৰিচালনা সমিতিৰ সদস্য সচিবৰ

নাম আৰু চহী

তাং ঃ

উল্লেখযোগ্য যে, সমগ্ৰ শিক্ষা, অসমে আগবঢ়োৱা বাৰ্ষিক বিদ্যালয় অনুদানৰ নিম্নতম ১০ শতাংশ ধন স্বচ্ছতা কাৰ্যসূচীৰ বাবে ব্যয় কৰিব। এই ধনৰাশি বিদ্যালয় পৰিচালনা সমিতিয়ে পৰ্যায়ক্ৰমে খৰচ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব আৰু ব্যৱহাৰৰ প্ৰমাণ পত্ৰৰ পৰা ইয়াক পৃথক পৃথক কৰি ৰাখিব। এই ধনৰাশি প্ৰধানকৈ বিদ্যালয়সমূহৰ শৌচাগাৰ, উন্নত মানৰ বিশুদ্ধ খোৱা পানী, একুৱাগাৰ্ড, আৰ অ' ব্যৱস্থা, পৰিষ্কাৰ-পৰিচ্ছন্নতা, আন্তঃগাঁঠনিৰ সা-সুবিধাৰ ব্যৱস্থাপনা আদি অন্তৰ্ভুক্ত হ'ব। প্ৰতিখন বিদ্যালয়ত ইতিমধ্যে থকা সা-সুবিধাৰ ব্যৱধান আৰু অগ্ৰাধিকাৰৰ ওপৰত ভিত্তি কৰি স্বচ্ছতাৰ কাৰ্য পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব।

বিদ্যালয় পৰিচালনা সমিতিয়ে ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক বিদ্যালয় উন্নয়ন অনুদানৰ যথোপযুক্ত ব্যৱহাৰৰ বাবে তলত দিয়া কামসমূহ অগ্ৰাধিকাৰ ভিত্তিত কৰিব পাৰে—

১। **প্ৰধান শিক্ষক/ শিক্ষয়িত্ৰী/ অধ্যক্ষৰ কাৰ্যালয়ৰ সন্মুখত অথবা বাৰান্দাৰ সুবিধাজনক স্থানত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ আলোকচিত্ৰ (উপযুক্ত আকাৰৰ) আঁৰি ৰখাৰ ব্যৱস্থা কৰিব। ইয়াৰ বাবে প্ৰয়োজন হোৱা ধনৰাশি বাৰ্ষিক অনুদানৰ পৰা ব্যয় কৰিব পাৰিব।**

২। **বিদ্যালয়ৰ গেটৰ সাধাৰণ মেৰামতিৰ বাবে সীমিত পৰিমাণৰ ধন ব্যয় কৰিব পাৰিব।**

৩। **বিদ্যালয় চৌহদৰ বেৰ প্লাষ্টাৰ কৰা অৱস্থাত থাকিলে অথবা বিদ্যালয় ভৱনৰ বেৰ সুন্দৰ ৰূপত সজাই তুলিবলৈ ৰং কৰিব পৰাকৈ বিদ্যালয়ৰ বাৰ্ষিক অনুদানৰ ওপৰত ভিত্তি কৰি সীমিত পৰিমাণৰ পুঁজি ব্যৱহাৰ কৰিব পাৰিব।**

৪। **প্ৰতিখন বিদ্যালয়ে নিজৰ পছন্দ / সুবিধা অনুসৰি একোখনকৈ দৈনিক বাতৰি কাকত ৰখাৰ ব্যৱস্থা কৰা। প্ৰয়োজন হোৱা ধনৰাশি বিদ্যালয় অনুদানৰ পৰা খৰচ কৰিব পাৰিব।**

৫। বিদ্যালয়ত কাৰ্যক্ষম নোহোৱা প্ৰয়োজনীয় সামগ্ৰী, যেনে- পানীৰ মটৰ, দমকল, ফেন আদি পুনৰ কাৰ্যক্ষম কৰিব লাগিব।

৬। বৈদ্যুতিক বিল / ইণ্টাৰনেট বিল পৰিশোধ কৰা আৰু যদি বৈদ্যুতিক সংযোগ নাই, তেন্তে সংযোগৰ ব্যৱস্থা কৰা।

৭। বিদ্যালয় গৃহ, শৌচাগাৰ/ প্ৰস্ৰাৱগাৰ আদিৰ সাধাৰণ মেৰামতি কৰা।

৮। বিদ্যালয়ৰ পাঠদানৰ সময়ৰ পাছত বিদ্যালয়খন তলা মাৰি থ'ব পৰাকৈ দুৱাৰ-খিৰিকীসমূহ মেৰামতি কৰি লোৱা।

৯। যদি বিদ্যালয়ৰ 'নামফলক', 'কৃষ্ণফলক', 'তথ্যফলক', 'সময়সূচীৰ ফলক', 'দৈনিক খাদ্যৰ তালিকাৰ ফলক', আদি উপলব্ধ নহয়, তেন্তে প্ৰস্তুত কৰিব অথবা প্ৰয়োজন সাপেক্ষে মেৰামতি কৰিব।

১০। যদি বিদ্যালয়ৰ মেজ-চকীৰ প্ৰয়োজন, তেন্তে তৈয়াৰ কৰি ল'ব।

১১। যদি দমকলটোৰ পকী প্লেটখন নাই তাক নিৰ্মাণ কৰি লোৱা।

১২। বিদ্যালয়ৰ মজিয়াখন পকী আৰু চিলিঙৰ ব্যৱস্থা কৰা, যদি মজিয়া বা চিলিং জহি-খহি হৈছে তাক মেৰামতি কৰি লোৱা।

১৩। বিদ্যালয় গৃহৰ ৰং কৰা।

১৪। বিদ্যালয়ত অগ্নি নিৰ্বাপক সঁজুলি যদিহে আছে তাত গেছ পূৰ্ণ হৈ আছে নে নাই তাক নিশ্চিত কৰা আৰু যদি নাই গেছ পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা।

১৫। বিদ্যালয়ৰ চৌপাশৰ লগত শৌচাগাৰ আৰু প্ৰস্ৰাৱগাৰৰ চৌপাশ পৰিষ্কাৰকৈ ৰাখিবৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰ ব্যৱস্থা কৰা তথা মেৰামতি কৰা।

১৬। প্ৰতিখন বিদ্যালয়ে প্ৰয়োজনীয় সামগ্ৰীসমূহ প্ৰাথমিক চিকিৎসা বাকচ উন্নীত কৰাৰ ব্যৱস্থা কৰা।

১৭। বিদ্যালয়ত আৱৰ্জনা নিষ্কাষণৰ বাবে ডাষ্টবিন প্ৰয়োজন সাপেক্ষে বৃদ্ধি কৰা (শ্ৰেণী অনুযায়ী)।

১৮। বিদ্যালয়ৰ বাবে নিয়মীয়াকৈ প্ৰয়োজন হোৱা সামগ্ৰী, যেনে- চক পেঞ্চিল, ডাষ্টাৰ, চাবোন, বাল্টি, মগ আদি বিভিন্ন ধৰণৰ পঞ্জীয়ন বহী ইত্যাদি ক্ৰয় কৰা।

১৯। প্ৰয়োজন সাপেক্ষে বিদ্যালয় চৌহদত চাইকেল ৰখাৰ বাবে ঠাইৰ ব্যৱস্থা কৰা।

২০। প্ৰতিখন বিদ্যালয়ে বৃক্ষৰোপণ কৰা, শাক-পাচলি আৰু ফুলনি বাগিছা পতাৰ বাবে সৰ্বাধিক পাঁচ শতাংশ ধন বাৰ্ষিক বিদ্যালয় অনুদানৰ পৰা খৰচ কৰিব পাৰিব।

২১। প্ৰয়োজন সাপেক্ষে কাঠৰ ডাণ্ডৰ স্কেল, কাঠৰ কোণমান যন্ত্ৰ, কাঠৰ কোণ, অংকন কৰা সঁজুলি, চুম্বক, ওজন জোখা তৰ্জু, ডগা, জুলীয়া পদাৰ্থ জোখা লিটাৰ আদি ক্ৰয়ৰ ব্যৱস্থা কৰিব পাৰে। বিজ্ঞানৰ পাঠভিত্তিক পাঠদানৰ বাবে আহিলা বা সঁজুলি আৰু সামগ্ৰীসমূহ ক্ৰয় কৰিব পাৰিব।

২২। বিদ্যালয়ত বিভিন্ন দিৱস আৰু শৈক্ষিক ক্ৰিয়া-কলাপ আদিত ছাত্ৰ-ছাত্ৰীক উৎসাহ যোগোৱাৰ বাবে সামান্যতম পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰা।

২৩। শৈক্ষিক দিনপঞ্জীত উল্লেখ থকা কলা-সংস্কৃতিৰ বাবে প্ৰয়োজনীয় সামগ্ৰী, যেনে- হাৰমনিয়াম, তবলা আদি ক্ৰয় কৰা নাইবা মেৰামতি কৰা। প্ৰয়োজন সাপেক্ষে তথা সম্ভৱ অনুসৰি ব্লুটুথ স্পিকাৰ সহ শব্দযন্ত্ৰ ক্ৰয় কৰিব পাৰিব।

২৪। প্ৰত্যেক বিদ্যালয়ে এখনকৈ জিলা, প্ৰদেশ, ৰাষ্ট্ৰ আৰু পৃথিৱীৰ মানচিত্ৰ আৰু একোটাকৈ গ্ল'ব ক্ৰয় কৰিব পাৰিব।

২৫। বিদ্যালয় পৰিচালনা সমিতিয়ে অতি প্ৰয়োজনীয় বুলি ভবা বিদ্যালয়ৰ সৈতে জড়িত সামগ্ৰী ক্ৰয় কৰি ৰখাৰ ব্যৱস্থা কৰিব পাৰিব।

২৬। বিদ্যালয়ৰ চৌহদত যদি ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ বাবে পকী ভেটি নাই, তেন্তে বনাই ল'ব পাৰিব।

২৭। ধপাতমুক্ত ফলকৰ পুনৰ্নিৰ্মাণ বা প্ৰস্তুতকৰণ।

২৮। ৰাইজে ধন-বিত, শ্ৰমদান বা অন্যান্য সমল বাৰ্ষিক বিদ্যালয় অনুদানৰ ব্যৱহাৰৰ সময়ত বৰঙণি হিচাপে প্ৰদান কৰিব পাৰিব।

২৯। বাৰ্ষিক বিদ্যালয়ৰ অনুদানৰ খৰচ, ৰাইজৰ পৰা গ্ৰহণ কৰা ধন-বিত আদি ব্যৱহাৰৰ প্ৰমাণ-পত্ৰৰ লগত সামঞ্জস্য ৰখাৰ ক্ষেত্ৰত পৰিচালনা সমিতিয়ে নজৰ ৰাখিব। বিদ্যালয় পৰিচালনা সমিতিয়ে পূৰ্বৰ খৰচৰ পুনৰাবৃত্তি কৰাৰ পৰা বিৰত থাকিব।

৩০। বিদ্যালয় পৰিচালনা সমিতিয়ে অনুদানৰ ধন ব্যৱহাৰ কৰাৰ পৰা ১০ দিনৰ ভিতৰত নিৰ্দ্ধাৰিত প্ৰ-পত্ৰযোগে অনুদান ব্যৱহাৰৰ প্ৰমাণ-পত্ৰ সংশ্লিষ্ট খণ্ড প্ৰাথমিক শিক্ষা বিষয়া তথা খণ্ড মিছন সমন্বয়কৰ ওচৰত দাখিল কৰিব লগিব। অনুদান ব্যৱহাৰৰ প্ৰমাণ-পত্ৰ দাখিল কৰাৰ পূৰ্বে পৰিচালনা সমিতিৰ সভা আহ্বান কৰাটো আৰু অনুদান ব্যৱহাৰৰ চূড়ান্ত অনুমোদন লোৱাটো বাধ্যতামূলক আৰু অনুমোদনৰ প্ৰতিলিপি, ভাউচাৰৰ ফটোকপি; বিভিন্ন কাম-কাজ আৰু ক্ৰয় কৰা সামগ্ৰীৰ ফটোগ্ৰাফ নিম্ন উল্লেখিত অনুদান ব্যৱহাৰৰ প্ৰমাণ-পত্ৰৰ লগত গাঁঠি দিয়াটো বাধ্যতামূলক।

## ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক বিদ্যালয় অনুদান ব্যৱহাৰৰ প্ৰমাণ-পত্ৰৰ আৰ্হি ঃ

*পৰিশিষ্ট-ক*

১। বিদ্যালয়ৰ নাম ঃ

২। বিদ্যালয়ৰ ডাইচ কোড ঃ

৩। মণ্ডল সমল কেন্দ্ৰৰ নাম ঃ

৪। শিক্ষা খণ্ডৰ নাম ঃ

৫। জিলাৰ নাম ঃ

৬। বিদ্যালয়ে লাভ কৰা অনুদানৰ পৰিমাণ ঃ

২০২৩-২৪ বৰ্ষৰ সংযুক্ত বাৰ্ষিক বিদ্যালয় অনুদানৰ টকা খৰচ কৰা (অনুদান ব্যৱহাৰ কৰা) প্ৰমাণ-পত্ৰৰ আৰ্হি তলত দিয়া হ'ল—

| ক্ৰমিক নং | সম্পূৰ্ণ কৰা কামৰ বিৱৰণ | খৰচ কৰা টকাৰ পৰিমাণ |
|---|---|---|
| | | |
| | | |
| | | |
| | | |
| | | |
| | | |
| | মুঠ টকাৰ পৰিমাণ | |

কেৱল ............................................ টকা (আখৰেৰে লিখিব)

ওপৰত উল্লেখ কৰা প্ৰতিটো কামেই বিদ্যালয়ৰ উন্নয়নৰ বাবে প্ৰকৃতাৰ্থত অতি কম মূল্যৰ হিচাপত আৰু যথাবিহিতভাৱে খৰচ কৰা হৈছে বুলি আমি নিম্ন স্বাক্ষৰকাৰীসকলে প্ৰমাণ-পত্ৰ প্ৰদান কৰিলো।

বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ নাম আৰু চহী

বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য সচিবৰ নাম আৰু চহী

বিদ্যালয় পৰিচালনা সমিতিৰ ন্যূনতম ন-গৰাকী সদস্যৰ নাম আৰু চহী

বিঃদ্ৰঃ প্ৰমাণ-পত্ৰৰ লগত বিদ্যালয় পৰিচালনা সমিতিৰ অনুমোদনৰ প্ৰতিলিপি, ভাউচাৰৰ প্ৰতিলিপি, বিভিন্ন কাম-কাজ আৰু ক্ৰয় কৰা সামগ্ৰীৰ ফটোগ্ৰাফ গাঁঠি দিলোঁ।

●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●●

(জমা লোৱা ৰচিদ হিচাপে তলৰ অংশ বিদ্যালয়ক দিব)

....................... বিদ্যালয়ৰ ২০২৩-২৪ চনৰ বাবে বাৰ্ষিক বিদ্যালয় অনুদান ............ টকা 'অনুদান ব্যৱহাৰ কৰা প্ৰমাণ-পত্ৰ' জমা পোৱা হ'ল আৰু জমা পোৱাৰ এই ৰচিদ দিয়া হ'ল।

খণ্ড প্ৰাথমিক শিক্ষা বিষয়া তথা খণ্ড মিছন
সমন্বয়কৰ ...... খণ্ড ...... জিলা

তাৰিখ

*পৰিশিষ্ট-খ*

## ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক বিদ্যালয় অনুদানৰ ১০% পুঁজি স্বচ্ছতাৰ বাবে ব্যৱহাৰৰ প্ৰমাণ-পত্ৰ আৰ্হি ঃ

১। বিদ্যালয়ৰ নাম ঃ

২। বিদ্যালয়ৰ ডাইচ কোড ঃ

৩। মণ্ডল সমল কেন্দ্ৰৰ নাম ঃ

৪। শিক্ষা খণ্ডৰ নাম ঃ

৫। জিলাৰ নাম ঃ

৬। বিদ্যালয়ে লাভ কৰা অনুদানৰ পৰিমাণ ঃ

২০২৩-২৪ বৰ্ষৰ সংযুক্ত বাৰ্ষিক বিদ্যালয় অনুদানৰ নিম্নতম ১০ শতাংশ পুঁজি স্বচ্ছতাৰ বাবে ব্যয় কৰা (অনুদান ব্যৱহাৰ কৰা) প্ৰমাণ-পত্ৰৰ আৰ্হি তলত দিয়া হ'ল—

| ক্ৰমিক নং | সম্পূৰ্ণ কৰা কামৰ বিৰৰণ (অনুদান)/ ক্ৰয় কৰা সামগ্ৰীৰ নাম আৰু পৰিমাণ, মেৰামতি আদি | খৰচ কৰা টকাৰ পৰিমাণ |
|---|---|---|
| | | |
| | | |
| | | |
| | | |
| | | |
| | মুঠ টকাৰ পৰিমাণ | |

কেৱল ............................................ টকা (আখৰেৰে লিখিব)

ওপৰত উল্লেখ কৰা প্ৰতিটো কামেই বিদ্যালয়ৰ উন্নয়নৰ বাবে প্ৰকৃতাৰ্থত অতি কম মূল্যৰ হিচাপত আৰু যথাবিহিতভাৱে খৰচ কৰা হৈছে বুলি আমি নিম্ন স্বাক্ষৰকাৰীসকলে প্ৰমাণ-পত্ৰ প্ৰদান কৰিলো।

বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ নাম আৰু চহী

বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য সচিবৰ নাম আৰু চহী

বিদ্যালয় পৰিচালনা সমিতিৰ ন্যূনতম ন-গৰাকী সদস্যৰ নাম আৰু চহী

বিঃদ্ৰঃ প্ৰমাণ-পত্ৰৰ লগত বিদ্যালয় পৰিচালনা সমিতিৰ অনুমোদনৰ প্ৰতিলিপি, ভাউচাৰৰ প্ৰতিলিপি, বিভিন্ন কাম-কাজ আৰু ক্ৰয় কৰা সামগ্ৰীৰ ফটোগ্ৰাফ গাঁঠি দিলোঁ।

(জমা লোৱা ৰচিদ হিচাপে তলৰ অংশ বিদ্যালয়ক দিব)

....................... বিদ্যালয়ৰ ২০২২-২৩ চনৰ বাবে সংযুক্ত বাৰ্ষিক বিদ্যালয় অনুদান ............. টকা 'অনুদান ব্যৱহাৰ কৰা প্ৰমাণ-পত্ৰ' জমা পোৱা হ'ল আৰু জমা পোৱাৰ এই ৰচিদ দিয়া হ'ল।

খণ্ড প্ৰাথমিক শিক্ষা বিষয়া তথা খণ্ড মিছন
সমন্বয়কৰ ...... খণ্ড ...... জিলা

তাৰিখ